জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৬৬/২০২২**

**‘বিকাশৰ বাবে এটা পষেক’ কাৰ্যসূচীৰ অধীনত যোৰহাট জিলাৰ বিভিন্ন প্ৰকল্পৰ শিলান্যাস কৰিলে মুখ্যমন্ত্ৰীয়ে**

# নতুন আন্তঃগাঁথনিমূলক প্ৰকল্পই ৰাজ্যৰ বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ বিকাশত এক নতুন মাত্ৰা প্ৰদানৰ লক্ষ্যৰে ‘বিকাশৰ বাবে এটা পষেক’ কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্পৰ শিলান্যাস কৰে।

উল্লেখ্য যে বিকাশৰ বাবে এটা পষেক কাৰ্যসূচীৰ অধীনত প্ৰথম পৰ্যায়ত অসম চৰকাৰে ৰাজ্যৰ ১১ খন জিলা সামৰি সৰ্বমুঠ ১৫ হাজাৰ কোটি টকাৰ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ শিলান্যাস তথা শুভ উদ্বোধনৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই উন্নয়নৰ পষেক দুটা পৰ্যায়ত ৰূপায়িত কৰাৰ বাবে যোৱা মাহত ৰাজ্যিক কেবিনেটে অনুমোদন জনাইছিল। দ্বিতীয় পৰ্যায়ত এই কাৰ্যসূচী অহা জানুৱাৰী মাহত অনুষ্ঠিত হ’ব। যোৰহাটৰ আজিৰ এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৮৫৩.১৫৪৮ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া ১৭ টা প্ৰকল্পৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৰহাট জিলাৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশৰ প্ৰশংসা কৰি কয় যে জিলাখনৰ এই সমৃদ্ধিশালী পৰম্পৰাক বৰ্তাই ৰখাত সহায় হোৱাকৈ ৰাজ্য চৰকাৰে এই প্ৰকল্পসমূহ গ্ৰহণ কৰিছে। আধুনিক অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক ৰাজধানী হিচাপে খ্যাত যোৰহাট জিলাৰ ইতিহাস আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰিটিছ শাসনৰ সময়ত উজনি অসমৰ মুখ্য কেন্দ্ৰ আছিল যোৰহাট। এই নগৰৰ পৰা কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহই ৰাজত্ব কৰিছিল বুলিও তেওঁ কয়। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে যোৰহাটৰ পৰা ২০ কিঃমিঃ নিলগত এটি নামঘৰ প্ৰতিষ্ঠা কৰি যি এগছি বন্তি জলাইছিল, সেই বন্তিগছি সকলো জাতি-জনগোষ্ঠীৰ একতাৰ প্ৰতীক স্বৰূপ ঐতিহ্যমণ্ডিত ঢেকিয়াখোৱা বৰনামঘৰত আজিও প্ৰজ্বলিত হৈ আছে বুলি তেওঁ কয়। ভাৰতৰ স্বাধীনতা আন্দোলনত যোৰহাটৰ এক উল্লেখযোগ্য ভূমিকা থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ব্ৰিটিছৰ বিৰুদ্ধে অসমত প্ৰথম বিদ্ৰোহৰ সূত্ৰপাত হৈছিল যোৰহাটৰ পৰাই। মুখ্যমন্ত্ৰীয়ে লগতে অসমৰ সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ যোৰহাটৰ অৱদানৰ উপৰি শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰখন মহিয়ান কৰাত জিলাখনে আগবঢ়াই অহা ভূমিকাৰো আলোকপাত কৰে।

১৭ টাকৈ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিবলৈ পাই অত্যন্ত সুখী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পসমূহ সম্পূৰ্ণ হৈ উঠিলে যোৰহাট আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ উন্নয়নে এক নতুন মাত্ৰা লাভ কৰিবলৈ সক্ষম হ'ব। অসম তথা ইয়াৰ জনসাধাৰণৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্ণা আৰু বন্ধ সংস্কৃতিৰ বিপৰীতে ৰাজ্যখনত এক ইতিবাচক পৰিৱেশ নিৰ্মাণ কৰিব লাগিব যাতে উন্নয়নৰ গতি আৰু অধিক ক্ষিপ্ৰ হৈ উঠে। ৰাজ্যখনত নতুন উন্নয়নৰ অধ্যায় সূচনাৰ দিশত জনসাধাৰণে লোৱা ভূমিকাৰো তেওঁ প্ৰশংসা কৰে। উন্নয়নৰ বাবে তেওঁ অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহযোগিতা কামনা কৰে। যদি এটা দশকজুৰি এনেধৰণে উন্নয়ন প্ৰক্ৰিয়া অব্যাহত থাকে তেন্তে অসমে দেশৰ পাঁচখন শীৰ্ষ ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বিকাশৰ বাবে এটা পযেক কাৰ্যসূচীৰ অধীনত ৰাজ্য চৰকাৰে যিসমূহ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কাম হাতত লৈছে ইয়ে জিলাখনৰ উন্নয়নৰ দিশত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। তেওঁ কয় যে লাচিত মৈদাম স্মৃতি সৌধ আৰু সাংস্কৃতিক প্ৰকল্পৰ কাম দুবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব আৰু ইয়ে এক পৰ্যটনৰ কেন্দ্ৰস্থলী হিচাপে পৰিগণিত হ'ব। তেওঁ লগতে কয় যে যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ চৌহদত আধাৰশিলা স্থাপন কৰা ফ্ৰিডম মেম'ৰিয়েল পাৰ্ক সম্পূৰ্ণ হৈ উঠিলে যোৰহাটবাসীয়ে অৱসৰ বিনোদনৰ এক আকৰ্ষণীয় স্থান লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ উন্নয়ন আৰু বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰলসভাৱে কাম কৰি আহিছে।

আজি শিলান্যাস কৰা প্ৰকল্পসমূহ হ'ল ১৪৯৮২.৫৪ লাখ টকা পুঁজিৰে লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ ভূমি পূজন, ২৬৯০৫.১৬ লাখ টকা পুঁজিৰে অসম মালাৰ অধীনত যোৰহাট কমাৰবন্ধা আলিৰ ভূমি পূজন, ৭৮২৭.১২ লাখ টকা পুঁজিৰে কমাৰবন্ধা আলিস্থিত ৰেল'ৱে ক্ৰছিঙত উৰণীয়া সেঁতু নিৰ্মাণৰ ভূমি পূজন, ৪৯৬১.৫৭ লাখ টকা পুঁজিৰে যোৰহাট সংহত উপায়ুক্ত কাৰ্যালয়ৰ আধাৰশিলা স্থাপন, ৫০০০ লাখ টকা পুঁজিৰে যোৰহাট জিলা ক্ৰীড়া প্ৰকল্পৰ আধাৰশিলা স্থাপন, ১০৭৮.৪০ লাখ টকা পুঁজিৰে মৰিয়নিত প্ৰস্তাৱিত বাপুজী মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন, ২৮৫১.২৮ লাখ টকা পুঁজিৰে অসম মহিলা বিশ্ববিদ্যালয়, টীয়ক চৌহদৰ আধাৰশিলা স্থাপন, ২৫ লাখ টকা পুঁজিৰে মৰিয়নিৰ নকছাৰীত গমধৰ কোঁৱৰ সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ, ৫০৩.৬৪ লাখ টকা পুঁজিৰে প্ৰিন্স অৱ ৱেলচ অভিযান্ত্ৰিক আৰু কাৰিকৰী প্ৰতিষ্ঠানক এক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে কৰ্মশালা তথা বিজ্ঞানসন্মত গৱেষণাগাৰ নিৰ্মাণ, ৫০৩.৬৪ লাখ টকা পুঁজিৰে তিতাবৰ চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক এক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে কৰ্মশালা তথা বিজ্ঞানসন্মত গৱেষণাগাৰ নিৰ্মাণ, ৫০৩.৬৪ লাখ টকা পুঁজিৰে যোৰহাট চৰকাৰী ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক এক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ উন্নীতকৰণৰ বাবে কৰ্মশালা তথা বিজ্ঞানসন্মত গৱেষণাগাৰ নিৰ্মাণ, ১৩৪৯১ লাখ টকা পুঁজিৰে যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত স্বাধীনতা স্মাৰক উদ্যানৰ আধাৰশিলা স্থাপন, ৯৯৬.৭৪ লাখ টকা পুঁজিৰে নতুন ওপৰ গৰুমৰাত শক্তি বিতৰণৰ উপকেন্দ্ৰ নিৰ্মাণ, ১১০৯.০৭ লাখ টকা পুঁজিৰে তিতাবৰত নতুন এ আই আই ডি চি কুন্দৰ গাঁও শক্তি বিতৰণ উপকেন্দ্ৰ নিৰ্মাণ, ১৩৭৮.৮২ লাখ টকা পুঁজিৰে তিতাবৰত নতুন মাধপুৰ শক্তি বিতৰণ উপকেন্দ্ৰ

নিৰ্মাণ, ৯৫৬.৮৬ লাখ টকা পুঁজিৰে কাকজানত নতুন উমাবাৰী শক্তি বিতৰণ উপকেন্দ্ৰ নিৰ্মাণ আৰু ২২৪১ লাখ টকা পুঁজিৰে তিতাবৰত ৰেচম মহাবিদ্যালয় নিৰ্মাণৰ ভূমি পূজন।

যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ, তথ্য আৰু জনসংযোগ, জলসম্পদ ইত্যাদি বিভাগৰ মন্ত্ৰী  পীযুষ হাজৰীকা,হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বড়া, শক্তি মন্ত্ৰী নন্দিতা গৰ্লোচা, সাংসদদ্বয় তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়কসকল ক্ৰমে ৰেণুপমা ৰাজখোৱা, ভৱেন্দ্ৰ নাথ ভৰালী, ৰূপজ্যোতি কুৰ্মী আৰু অন্যান্য গণ্য-মান্য বক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১৫/১২/২০২২**